# চেমনীয়াৰ উপযোগী অসমীয়া ভাষাৰ কিছু উল্লেখযোগ্য বিজ্ঞান হাতপুথি

অনন্যা শইকীয়া

অসমীয়া সাহিত্য জগতত শিশু আৰু চেমনীয়াৰ উপযোগী কিতাপৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা, তাতে এইচাম প্ৰজন্মৰ বাবে অসমীয়া ভাষাত বিজ্ঞান পুথিৰ সংখ্যা এপাচি শাকত এটা জালুকৰ সমান। কিন্তু তাৰ মাজতো চান কাঢ়ি দুই এখন লেখত লবলগীয়া বিজ্ঞান কিতাপৰ ওপৰত বিভিন্ন ধাৰাৰ সৈতে আঁত ধৰি অলপ চমু আলোচনা আগবঢ়োৱাৰ কিঞ্চিৎ প্ৰয়াস কৰা হ'ল--

১) কল্পবিজ্ঞান: বিভিন্ন অসমীয়া বিজ্ঞান লেখকে বিশ্ববিখ্যাত কেইবাখনো কল্পবিজ্ঞানৰ উপন্যাস গল্প পুথিৰ সুন্দৰ অনুবাদ কৰিছে। শৰাইঘাট প্ৰকাশনৰ কালজয়ী সাহিত্য চিৰিজৰ কল্পবিজ্ঞানৰ কিতাপ বোৰ যেনে জুলে ভাৰ্ণৰ সাগৰৰ তলিয়েদি কুৰি হাজাৰ লীগ, এইচ জি ৱেলছৰ অদৃশ্য মানুহজন, শান্তনু তামূলী অনূদিত গ্ৰহযুদ্ধ আদিৰ সাৱলীল অনুবাদে কিশোৰ বয়োজ্যেষ্ঠ সকলোকে আপ্লুত কৰে।



২) জীৱনী/ আত্মজীৱনী: বিজ্ঞানীসকলৰ ঘটনাবহুল জীৱনৰ নানান ৰসাল কাহিনী সম্বলিত কিতাপবোৰ যেনে বিনয় মোহন শইকীয়াৰ "আনে কি ভাৱে তোমাক কিয় লাগে" , জয়ন্ত মাধৱৰ "এবাকচ জীৱনী" , জয়ন্তী চুতীয়া অনূদিত "বিজ্ঞানী হোৱাৰ সপক্ষে এশটা যুক্তি" , আব্দুল কালামৰ "অগ্নিৰ ডেউকা" আদিয়ে শিশুৰ বৈজ্ঞানিক মনস্তত্ত বিকাশত বাৰুকৈয়ে ইন্ধন যোগায়।

৩)নেচনেল বুক ট্ৰাষ্ট: নেচনেল বুক ট্ৰাষ্টে জন্মলগ্নৰে পৰা খুব সুলভ মূল্যত বিজ্ঞানৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশত নানা মূল্যৱান গ্ৰন্থ প্ৰকাশ কৰি আহিছে। অসমীয়া ভাষাতো এই কিতাপবোৰ উপলব্ধ। ইয়াৰ ভিতৰত "কাইলৈ এনে ঘটিছিল" ( কল্পবিজ্ঞানৰ চুটি

গল্প সংকলন)”,“আজিৰ মহাকাশ,“নেন': পৰৱৰ্তী বিপ্লৱ” ইত্যাদি উল্লেখযোগ্য।

৪) সাধাৰণ বিজ্ঞান: অসমৰ সুলেখক শান্তনু কৌশিক বৰুৱাই বিজ্ঞানৰ প্রতি সহজাত অনুসন্ধিৎসা বঢ়াবৰ বাবে নানা মাধ্যমেৰে অহোপুৰুষার্থ কৰি আছে। তেওঁ প্রান্তিক আলোচনীত বুদ্ধি-যুক্তিৰ সাঁথৰ আজি বহু বছৰ ধৰি প্রকাশ কৰি আহিছে। বিজ্ঞানৰ ওপৰত “সৌৰজগত” , “বিজ্ঞান কি ক' ত কিয় কেনেকৈ” আদি কেইবাখনো কিতাপ লিখিছে যিবোৰৰ পৰা শিশু-কৈশোৰ বাৰুকৈয়ে উপকৃত হ' ব।



৫) গাণিতিক সাঁথৰ: গণিতৰ বিভিন্ন শাখা যেনে সংখ্যা তত্ত্ব, পাটীগণিত, বীজগণিত, জ্যামিতি আদি প্রয়োগ কৰি কিদৰে বিভিন্ন সাঁথৰ বা সমস্যা সমাধান কৰিব পৰা যায় তাৰ সম্যক আভাস দিয়াৰ উদ্দেশ্যে পৰেশ বৈশ্য, কৈলাস শর্মা আদি গণিত লেখকে কেইবাখনো শিশু উপযোগী কিতাপ লিখি উলিয়াইছে। পংকজ জ্যোতি মেধিৰ “অংক নহয় আতংক” এই ধাৰাৰ সাহিত্যৰ শেহতীয়া সংযোজন।

৬) বিজ্ঞান প্রবন্ধ: বিপুলজ্যোতি শইকীয়াৰ “সোণালী সংখ্যা” , “ঈশ্বৰ কণিকা আৰু অন্যান্য প্রবন্ধ” , কনক চন্দ্ৰ বৰুৱাৰ “ ফৰেনচিক বিজ্ঞান কি কিয় কেনেকৈ?” শীর্ষক বিজ্ঞান ভিত্তিক প্রবন্ধ কিতাপসমূহ অধ্যয়ন কৰিলে বিশেষকৈ ভৱিষ্যতে বিজ্ঞানী হ' ব খোজা কিশোৰসকলৰ মনত চিন্তাৰ উদ্ৰেক ঘটাব।

৭) সংগ্রহ পুথি: চিত্র আৰু তথ্য সম্বলিত অসমত উপলব্ধ উদ্ভিদ, বনৌষধি, প্রাণীৰ বৈজ্ঞানিক নাম সম্বলিত সংগ্রহ পুথিসমূহৰ পৰাও শিশু কৈশোৰ বাৰুকৈয়ে লাভান্বিত হ' ব আৰু বন্যপ্রাণী তথা পৰিৱেশ সংৰক্ষণৰ প্রতি সচেতন হ' ব। এনে কিতাপবোৰৰ ভিতৰত সৌম্যদ্বীপ দত্তৰ অসমৰ বনৰীয়া জন্তুৰ সংগ্রহ, যুৱ প্রকৃতিবিদ সাৰংগপাণি নেওগৰ পখিলাৰ নানা প্রজাতিৰ সংগ্রহ পুথি, তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা প্রকাশিত অসমৰ চৰাই আৰু উদ্ভিদ সংগ্রহ আদি পুথি লেখত ল' বলগীয়া।

৮) বিজ্ঞান কুইজ: অসমীয়া ভাষাত প্রকাশিত নানা বিজ্ঞানৰ কুইজ বা তথ্যৰ কিতাপসমূহো কুইজ প্রতিযোগিতা বা প্রতিভা

সন্ধানী পৰীক্ষাবোৰত সহায়ক হোৱা দেখা যায়। ৯) বিজ্ঞানৰ প্ৰকল্প কিতাপ: বিগত কিছুবছৰৰ পূৰ্বৰ পৰাই বিদ্যালয়ৰ পাঠ্যক্ৰমত বিজ্ঞান বিষয়ৰ প্ৰকল্প অন্তৰ্ভুক্ত কৰা হৈছে, যিবোৰে ছাত্ৰ ছাত্ৰীক বিজ্ঞানৰ তত্ত্ব সমূহ ব্যৱহাৰিক দিশত প্ৰয়োগ কৰিবলৈ উদ্বুদ্ধ কৰিছে। ইয়াৰ লগত সংগতি ৰাখি বিভিন্ন পাঠ্যক্ৰমৰ বিষয়বস্তু সম্পৰ্কীয় বিজ্ঞানৰ প্ৰকল্প পুথি প্ৰকাশ পাইছে। এনে কিতাপবোৰৰ পৰা বিজ্ঞানী হ' ব বিচৰা কৈশোৰসকল বাৰুকৈয়ে উপকৃত হ' ব।

১০) বৈজ্ঞানিক শব্দৰ অভিধান: শেহতীয়াকৈ জনপ্ৰিয় বিজ্ঞান লিখক ক্ষীৰধৰ বৰুৱাৰ সম্পাদনাত বৈজ্ঞানিক পৰিভাষাৰ অভিধান প্ৰকাশ পাইছে। প্ৰত্যেক বিজ্ঞান সচেতন কিশোৰৰ ঘৰত এনে বিজ্ঞানৰ অভিধান থকা উচিত।

ওপৰত উল্লিখিত কিতাপসমূহৰ উপৰিও আৰু অনেক অসমীয়া ভাষাৰ গুৰুত্বপূৰ্ণ বিজ্ঞান কিতাপ আছে নিশ্চিতভাৱে। অৱশ্যে বৈজ্ঞানিক মনস্তত্ত্বৰ বিকাশ সাধন সঠিকভাৱে কৰিবলৈ হ' লে কিতাপৰ লগতে কিছুমান সজুঁলি, যন্ত্ৰ পাতি যেনে দূৰবীণ, দূৰবীক্ষণ যন্ত্ৰ আৰু অন্যান্য সামগ্ৰী লগতে পাৰিলে সৰুকৈ হ' লেও গৱেষণাগাৰ এটা যোগাৰ কৰি ল' লে সোণত সুৱগা চৰা হ' ব।

******************